# দৰ্শনৰ গুৰুত্ব

প্ৰীতিলতা মহন্ত
স্নাতক, ২য় বৰ্ষ (দৰ্শন বিভাগ)

দৰ্শন শব্দটো গ্ৰীক শব্দ 'Philos' আৰু 'Sophia' পৰা উৎপত্তি হৈছে। সাধাৰণ ভাষাত দৰ্শন মানে হ'ল দেখা বা দৃষ্টি। সচৰাচৰ যিকোনো বস্তু বা প্ৰাণী দেখা অৰ্থত এই দৃষ্টি ব্যৱহাৰ কৰা নহয়। এই দৃষ্টি অন্তৰ দৃষ্টি। দৃষ্টি দুই প্ৰকাৰৰ - অন্তৰ দৃষ্টি আৰু বহিঃ দৃষ্টি। অন্তৰ দৃষ্টি আৰু বহিঃ দৃষ্টিৰ মাজত প্ৰভেদ আছে। ওপৰে ওপৰে চোৱা দৃষ্টিক বহিঃদৃষ্টি বোলে আৰু যিবিলাক আভ্যন্তৰীণ ভাৱে দৃষ্টি কৰা হয়, সেইবিলাক অন্তৰ দৃষ্টি। দৰ্শনে কোনো বস্তু বা প্ৰাণী ওপৰে ওপৰে নিৰীক্ষণ কৰাতে ক্ষান্ত নাথাকি ইয়াক আভ্যন্তৰীণভাৱে জানিব চেষ্টা কৰে।

আমাৰ ব্যৱহাৰিক জীৱনত দৰ্শনৰ বহুতো প্ৰয়োজনীয়তা আছে। যদিও মানুহে ভাৱে যে দৰ্শনৰ উপকাৰিতা নাই, সেয়া আচলতে ভুল ধাৰণাহে কাৰণ আমাৰ জীৱনত ইয়াৰ বহু উপকাৰিতা আছে। দৰ্শনে সকলো বস্তু অন্তৰ দৃষ্টিৰে নিৰীক্ষণ কৰে। ঈশ্বৰ, আত্মা, পৰমাত্মা আদিৰ জ্ঞান আমি কেৱল দৰ্শনৰ সহায়ত উপলব্ধি কৰিব পাৰো। এনেবোৰ বিষয় বস্তুৰ আমাৰ জীৱনৰ লগত নিবিড় সম্বন্ধ আছে।

এই পৃথিৱীত আমি মানুহ হিচাপে জীয়াই থকাটো আমাৰ কৰ্ত্তব্য। কিন্তু মানুহে হিচাপে জীয়াই থাকিবলৈ মানুহক সাহস, আত্মসংযম, ধৈৰ্য্য আদিৰ প্ৰয়োজন হয় আৰু এই বিলাকৰ জ্ঞান দৰ্শনৰ জৰিয়তেহে পাব পাৰি। এই পৃথিৱীত মানুহ সহনশীল। যদিও মানুহৰ দেহ বা শৰীৰৰহে শাৰীৰিক ভাৱে মৃত্যু হয়, আমাৰ প্ৰকৃততে আত্মাৰ মৃত্যু নহয়। আত্মা অজৰ অমৰ। এই আত্মাৰ কি হয়? এই জ্ঞান আমি কেৱল দৰ্শনৰ জৰিয়তে পাব পাৰো। আমি ঈশ্বৰ বিশ্বাসী। এই পৃথিৱীৰ স্ৰষ্টা ঈশ্বৰ। ঈশ্বৰ কোন? কেনেকুৱা? ক'ত থাকে? - আদিৰ বিষয়ে জানিবলৈ দৰ্শনৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। অৰ্থ্যাৎ দৰ্শন অধ্যয়নৰ জৰিয়তে আমি ঈশ্বৰক নিজৰ ওচৰতে পাব পাৰো।

এই পৃথিৱীত প্ৰথমতে দৰ্শনৰহে আৱিস্কাৰ হৈছিল, ইয়াৰ পিছতহে আন আন বিষয় বিলাক উৎপত্তি হয়। গতিকে আমি প্ৰথমে দৰ্শনৰ গভীৰ জ্ঞান পাব লাগিব, তেতিয়াহে আন আন বিষয়বোৰৰ বিষয়ে ভালদৰে জানিব পাৰিম। উদাহৰণস্বৰূপে সকলো বৈজ্ঞানিকক দাৰ্শনিক বুলি কোৱা হয়। আনহাতে কবি, গীতিকাৰ, শিল্পকাৰ আদি লোক সকলোৰে বৰঙণিক আমি দৰ্শনৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভূক্ত কৰিব পাৰো।

মানুহে সত্য পথত জীয়াই থাকিবলৈ হ'লে দৰ্শনৰ একান্ত প্ৰয়োজন। কাৰণ অজ্ঞতাই আমাৰ সকলো ভূলৰ আৰু পাপৰ কাৰণ। গতিকে এই অজ্ঞতা দূৰ কৰিবলৈ হ'লে আমি দৰ্শন অধ্যয়ন কৰিব লাগে। দৰ্শনৰ অধ্যয়ন অজ্ঞতা দূৰ কৰি মানুহক সত্য পথত জীয়াই থাকিবলৈ জ্ঞান দিয়ে।

দৰ্শনে আমাক নীতি শাস্ত্ৰৰ জ্ঞান দিয়ে আৰু সত্য, শিৱ, সুন্দৰৰ বিষয়েও জ্ঞান প্ৰদান কৰে। গতিকে দৰ্শনে আমাক যুক্তিৰ দ্বাৰা বিচাৰ-বিবেচনা প্ৰয়োগ কৰি এখন সুস্থ সবল সমাজ প্ৰতিষ্ঠা কৰিবলৈ প্ৰেৰণা দিয়ে। সেই কাৰণে বৰ্ত্তমান সময়ত দৰ্শনৰ অধ্যয়ন অতি প্ৰয়োজন। চিৰযুগমীয়া মানবীয় মূল্যবোধ কিছুমান বৰ্ত্তমান সমাজত হেৰাই যোৱাৰ উপক্ৰম হৈছে। এনে সুক্ষ্ম মূল্যবোধ সমূহ আমি দৰ্শন অধ্যয়নৰ সহায়ত পুণৰ জগাই তুলিব পাৰিম।

সৰ্ব্বশেষত আমি ক'ব পাৰো যে দৰ্শন অবিহনে সুস্থ সবল সমাজ গঢ়ি তোলাটো কঠিন। গতিকে আমি সকলোৱেই দৰ্শন অধ্যয়ন কৰিব লাগে। ❑